নিশ্চয় শীঘ্ৰেই তোমালোকে তোমালোকৰ প্ৰতিপালকক দেখিবলৈ পাবা, যিদৰে তোমালোকে এই চন্দ্ৰটোক দেখি আছা, তেওঁক দেখিবলৈ তোমালোকৰ কোনো ভীৰ কৰিবলগীয়া নহ’ব।

জাৰীৰ বিন আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত, তেওঁ কৈছেঃ এবাৰ আমি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত উপস্থিত আছিলোঁ, তেখেতে পূৰ্ণিমাৰ ৰাতি
চন্দ্ৰৰ প্ৰতি লক্ষ্য কৰি ক’লে, “নিশ্চয় শীঘ্ৰেই তোমালোকে তোমালোকৰ প্ৰতিপালকক দেখিবলৈ পাবা, যিদৰে তোমালোকে এই চন্দ্ৰটোক দেখি আছা, তেওঁক দেখিবলৈ তোমালোকৰ কোনো ভীৰ কৰিবলগীয়া নহ’ব। এতেকে যদি তোমালোকে সূৰ্য উদয়ৰ পূৰ্বৰ চালাত (ফজৰ) আৰু সূৰ্য অস্ত যোৱাৰ পূর্বৰ (আচৰৰ) চালাত (চয়তানৰ পৰা) প্ৰভাৱমুক্ত হৈ পঢ়িব পাৰা
তেন্তে সেইটোৱে চেষ্টা কৰা”। ইয়াৰ পিছত তেখেতে এই আয়াত তিলাৱত কৰিলে, অৰ্থঃ “আৰু তোমাৰ প্ৰতিপালকৰ প্ৰশংসাৰ সৈতে পৱিত্ৰতা আৰু মহিমা ঘোষণা কৰা সুৰ্যোদয় হোৱাৰ
আগত আৰু সূৰ্যাস্ত যোৱাৰ আগত।” [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

এবাৰ ৰাতি চাহাবাসকল নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰতে উপস্থিত আছিল, তেনেতে তেখেতে পূৰ্ণিমাৰ চন্দ্ৰৰ প্ৰতি লক্ষ্য কৰি ক'লেঃ নিশ্চয় মুমিনসকলে অচিৰেই নিজৰ বাস্তৱ চকুৰে প্ৰতিপালকক দেখিবলৈ পাব। তেওঁক দেখিবলৈ কোনো ভিৰ কৰিবলগীয়া নহ'ব, কোনো মেহনত বা কষ্ট কৰিবলগীয়াও নহ'ব। ইয়াৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকে যিমান সম্ভৱ নিজৰ ব্যস্ততাক এৰি থৈ ফজৰ আৰু আচৰৰ চালাতৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিবা। সঠিক সময়ত নিয়মিতভাৱে জামাত সহকাৰে আদায় কৰাৰ চেষ্টা কৰিবা। কাৰণ এইটোৱে হৈছে (আখিৰাতত) আল্লাহক দৰ্শন পোৱাৰ অন্যতম এটা উপায়। এইখিনি কথা কোৱাৰ পিছত তেখেতে এই আয়াতটো তিলাৱত কৰিলেঃ অৰ্থঃ আৰু তোমাৰ প্ৰতিপালকৰ প্ৰশংসাৰ সৈতে পৱিত্ৰতা আৰু মহিমা ঘোষণা কৰা সুৰ্যোদয় হোৱাৰ আগত আৰু সূৰ্যাস্ত যোৱাৰ আগত।

https://sunnah.global/hadeeth/as/show/5657